# ঊনবিংশ শতিকাত অসম সম্পৰ্কীয় গ্ৰন্থ প্ৰকাশন ঃ
## এক সমীক্ষাত্মক অধ্যয়ন

পিএইচ.ডি. ডিগ্ৰীৰ বাবে দাখিল কৰা
গৱেষণা গ্ৰন্থ


সূৰ্য্য কান্ত হাজৰিকা
পঞ্জীয়ন নং. এম.এছ.এছ.ভি.-০০১৬-০০৫-০০২০২
অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়, নগাঁও, অসম


২০২০

# Unabingsha Shatikât Asam Samparkia Grantha Prakâshan :

## Ek Samikshâtmak Adhyayan

**Thesis submitted in partial fulfilment of the requirements for the Degree of Doctor of Philosophy (Ph.D.)**

**Surjya Kanta Hazarika**
**Reg. No. MSSV- 0016 - 005 - 00202**
**Department of Assamese**
**Mahapurush Srimanta Sankaradeva Viswavidalaya**
**Nagaon**

# উপসংহাৰ

## ৭.০১ গৱেষণাপত্ৰত সন্নিৱিষ্ট বিষয়সমূহৰ সাৰমৰ্ম ঃ

অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি, ঐতিহ্য, ইতিহাস, ভূগোল, গণিত, অভিধান, স্কুলীয়া পাঠ্যপুথি আদিসহ ঊনবিংশ শতিকাত অসমৰে সৈতে সম্পৰ্ক থকা প্ৰকাশিত গ্ৰন্থৰ তথ্যৰে এই গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰা হৈছে। গৱেষণাৰ সময়ত বিভিন্ন উৎসৰ সমলসমূহৰ অনুসন্ধান কৰা হয়। গ্ৰন্থসমূহৰ প্ৰকাশনৰ সময় আৰু বিষয় অনুযায়ী তথ্য বৰ্ণনা কৰা হৈছে। উল্লেখিত শতিকাটিত অসম আৰু অসমীয়া ভাষাৰ বিষয়েৰে সম্পৰ্ক থকা প্ৰকাশিত গ্ৰন্থ সমূহ কোনে কেনেকৈ উদ্যোগ লৈ কৰ্ম সম্পাদন কৰিছিল সেই বিষয়েও অনুসন্ধানত প্ৰাপ্ত তথ্যসমূহ উপস্থাপন কৰা হৈছে। উল্লিখিত বিষয়ৰ গ্ৰন্থৰ তথ্য দাঙি ধৰাৰ লগতে অনুসন্ধানত প্ৰাপ্ত কিছু প্ৰাসংগিক বিষয় পৰিশিষ্টত সংলগ্ন কৰা হৈছে।

### অধ্যায়সমূহৰ সাৰাংশ ঃ

**প্ৰথম অধ্যায়ত**, অসমত গ্ৰন্থ পৰম্পৰাৰ ঐতিহাসিক পটভূমিৰ বিষয়ে আলোচনা কৰা হৈছে। গৱেষণাৰ প্ৰয়োজনত শতিকাটোৰ প্ৰাক্-কালছোৱাত অসমত গ্ৰন্থ সম্পৰ্কীয় ধ্যান-ধাৰণা, গ্ৰন্থ পৰম্পৰা আৰু গ্ৰন্থ চৰ্চাৰ ধাৰা সম্পৰ্কে পৰ্যালোচনা কৰি চোৱা হৈছে। ঊনবিংশ শতিকাৰ পূৰ্বে  অসমত মুদ্ৰণ ব্যৱস্থা আৰম্ভ হোৱাৰ আগৰ কেইবাটাও শতিকাত তৎকালীন যুগৰ বৌদ্ধিক সমাজে, বিশেষকৈ প্ৰাক্-শঙ্কৰী যুগৰ পৰা অসমত পুথি পঢ়াৰ পৰম্পৰা প্ৰথমে মৌখিক ৰূপত আৰু পাছৰ হস্তলিখিত  কালৰ লেখকসকলে তেওঁলোকৰ নিজ নিজ চিন্তাধাৰা সাঁচিপাত, তুলাপাত আদিত হাতেৰে লিখি প্ৰণয়ন কৰিছিল। সাঁচিপাতত লিখা পুথিসমূহ প্ৰয়োজন সাপেক্ষে পুনৰ অন্যান্য সাঁচিপাততেই লিখি একাধিক প্ৰতিলিপি প্ৰস্তুত কৰি লৈছিল। আমাৰ এই অধ্যায়টিত সেই পৰম্পৰাগত দিশসমূহৰ বিষয়ে উপক্ৰমণিকা ৰূপে সংক্ষিপ্ত বিৱৰণ আগবঢ়োৱা হৈছে। সময়ৰ বিৱৰ্তনত ঊনবিংশ শতিকাত অসমত আধুনিক ছপাশাল প্ৰতিষ্ঠা হোৱাত পূৰ্বৰ পৰম্পৰাৰ ক্ৰমে অৱসান ঘটে আৰু  আধুনিক ছপাযন্ত্ৰৰে গ্ৰন্থ মুদ্ৰণৰ পৰম্পৰাই বিকাশ লাভ কৰে। ঊনবিংশ শতিকাত আধুনিক ছপাযন্ত্ৰৰ সুবিধা হৈছিল যদিও সমগ্ৰ শতিকাজুৰি অসমৰ ভূ-খণ্ডত মোৱামৰীয়া বিদ্ৰোহ, দন্দুৱা দ্ৰোহ, মানৰ আক্ৰমণ, 'ইয়াণ্ডাবু সন্ধি'ৰ

জৰিয়তে ব্ৰিটিছৰ শাসন, প্ৰজা বিদ্ৰোহ, ব্ৰিটিছৰ দ্বাৰা আমদানিকৃত বঙ্গদেশীয় আমোলা-বিষয়াৰ আতিশয্য, ফিৰিঙ্গীসকলৰ দ্বাৰা অসমত প্ৰচলিত হৈ থকা পূৰ্বৰ 'পাইক প্ৰথা' প্ৰত্যাহাৰ, নতুন ৰাজহ ব্যৱস্থাৰে অত্যধিক কৰ-কাটল আৰোপ কৰাৰ বাবে প্ৰজাৰ মাজত হোৱা মানসিক অশান্তি, ব্ৰিটিছ শাসনতন্ত্ৰৰ দ্বাৰা অসমত পৰম্পৰাগত 'বিনিময় প্ৰথা'ৰ বিপৰীতে নতুনকৈ মুদ্ৰাভিত্তিক অৰ্থনীতি ব্যৱস্থাৰ প্ৰৱৰ্তন, অসমত অসমীয়া ভাষাৰ পৰিৱৰ্তে বাংলা ভাষাৰ প্ৰৱৰ্তন, চিপাহী বিদ্ৰোহ, ব্ৰিটিছ শাসনতন্ত্ৰৰ দ্বাৰা অসমৰ মানুহক 'কানি' বৰ্বিহ সেৱন কৰাৰ উদগণি যোগাই ৰাজহ সংগ্ৰহ, বৰ ভূঁইকঁপৰ দৰে প্ৰাকৃতিক দুৰ্যোগ আদিৰ বাবে গ্ৰন্থমুদ্ৰণ আৰু প্ৰকাশনৰ কামসমূহৰ ক্ষেত্ৰত প্ৰতিকূলতা আৰু বিপৰ্যয়ৰ দিশসমূহৰ সংক্ষিপ্ত বৰ্ণনা আগবঢ়োৱা হৈছে। অৱশ্যে প্ৰতিকূল পৰিৱেশৰ মাজতো অসমত সাহিত্য চৰ্চাৰ ক্ষেত্ৰত ক্ৰমে নতুনকৈ সংযোজন ঘটা আধুনিক ছপাশাল, সীহত কটা আখৰৰে মুদ্ৰণ, আধুনিক পদ্ধতিৰে তৈয়াৰ কৰা কাগজৰ পৰ্যাপ্ততা, ছপা কাৰ্যৰ বাবে চিয়াঁহি আদিৰ যোগেদি অসমৰ গ্ৰন্থমুদ্ৰণ আৰু প্ৰকাশনৰ অগ্ৰগতিৰ বিষয়ে এই অধ্যায়ত আলোচনা কৰা হৈছে।

**দ্বিতীয় অধ্যায়ত**, ঊনবিংশ শতিকাৰ অসমত গ্ৰন্থ প্ৰকাশন ব্যৱস্থাৰ কেনেদৰে সূচনা হৈছিল সেই বিষয়ে আলোচনা কৰা হৈছে। শতিকাটিৰ দ্বিতীয় দশকত অসমীয়া ভাষাৰ প্ৰথম গ্ৰন্থ ছপা হয় ১৮১৩ খ্ৰীষ্টাব্দত। ব্ৰিটিছ খ্ৰীষ্টান মিছনাৰী উইলিয়াম কেৰীৰ উদ্যোগত অসমৰ আত্মাৰাম শৰ্মাৰ দ্বাৰা অনূদিত বঙ্গদেশৰ শ্ৰীৰামপুৰৰ পৰা প্ৰকাশিত উল্লিখিত 'ধৰ্ম্মপুস্তক' গ্ৰন্থখনৰ মুদ্ৰণ আৰু প্ৰকাশনৰ সবিশেষ এই অধ্যায়ত আলোচনা কৰা হৈছে। 'ধৰ্ম্মপুস্তক' গ্ৰন্থৰ প্ৰকাশৰ চন-তাৰিখ সম্পৰ্কত থকা মতভেদক বিশ্লেষণাত্মক আৰু সমীক্ষাত্মক গৱেষণা পদ্ধতিৰে অধ্যয়ন কৰি ভিন্নজনৰ তথ্যত উদ্ভৱ হোৱা বিভ্ৰান্তি সম্পৰ্কে তথ্যৰ আধাৰত এক সমাধান সূত্ৰ এই অধ্যায়টিত সন্নিৱিষ্ট কৰা হৈছে।

১৮১৩ খ্ৰীঃত অসমৰ বহিঃৰাজ্য বঙ্গদেশৰ শ্ৰীৰামপুৰৰ পৰা অসমীয়া ভাষাৰ প্ৰথম ছপাপুথি 'ধৰ্ম্মপুস্তক' প্ৰকাশনৰ তথ্য জনাৰ পাছত অসমৰ স্ব-ভূমিত মুদ্ৰিত প্ৰথম গ্ৰন্থখনৰ বিশদ তথ্য জনাৰ উদ্দেশ্যে গৱেষণাৰ লক্ষ্য স্থিৰ কৰা হৈছিল। আমাৰ অনুসন্ধানত অসমৰ স্ব-ভূমিত মুদ্ৰিত আৰু প্ৰকাশিত 'Spelling Book in English, Assamese and Tai' গ্ৰন্থখন প্ৰথম গ্ৰন্থ ৰূপে তথ্য সহকাৰে এই অধ্যায়ত ফঁহিয়াই দেখুওৱা হৈছে। অসমৰ ছাত্ৰ-ছাত্ৰীক ইংৰাজী শিকোৱাৰ ক্ষেত্ৰতো এই গ্ৰন্থখনেই অসমৰ প্ৰথম গ্ৰন্থ। ঊনবিংশ শতিকাৰ তৃতীয় দশকত, গ্ৰন্থখনৰ যোগেদি অসমৰ ছাত্ৰ-ছাত্ৰীক ইংৰাজী শব্দৰ অসমীয়া অৰ্থ বুজিব পৰাকৈ 'ৰোমান' আখৰ ব্যৱহাৰৰ যোগেদি কেনেদৰে প্ৰস্তুত কৰিছিল তাৰো আভাস অধ্যায়টিত উল্লেখ কৰা হৈছে। উদাহৰণ স্বৰূপে, ইংৰাজীৰ 'Cloud' শব্দটি অসমীয়াভাষীসকলে উচ্চাৰণ কৰিবৰ বাবে 'Klaud' বুলি  আৰু শব্দটিৰ অসমীয়া অৰ্থ 'মেঘ' আৰু টাই ভাষাৰ অৰ্থ 'মক'

বুলি উল্লেখ কৰাৰ দৰে অন্যান্য পাঠসমূহৰো সম্যক পৰিচয় দাঙি ধৰা হৈছে। অসমৰ ঐতিহ্যবহনকাৰী এই দুষ্প্ৰাপ্য গ্ৰন্থখনৰ অনুসন্ধান কালত প্ৰাপ্ত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু পেৰিচৰ গ্ৰন্থাগাৰৰ উল্লেখেৰে উল্লিখিত গ্ৰন্থখনৰ স্থিতি সম্পৰ্কে সংশ্লিষ্ট অধ্যায়টিত প্ৰাপ্ত প্ৰামাণিক তথ্য উল্লেখ কৰা হৈছে। গ্ৰন্থখনত স্বৰবৰ্ণ, ব্যঞ্জনবৰ্ণ, যুক্তাক্ষৰ শিক্ষা, ইংৰাজী শব্দৰ স্বৰ, ভাৰতীয় শব্দৰ ব্যঞ্জনবৰ্ণযুক্ত তালিকা, অনুশীলনৰ উপৰি ইংৰাজী, অসমীয়া আৰু টাই ভাষাৰ বাক্যাৱলীৰ তালিকাও সংযুক্ত কৰাৰ তথ্য জানিব পৰা হৈছে আৰু সেই সম্পৰ্কত প্ৰাপ্ত তথ্য অধ্যায়টিত সন্নিৱিষ্ট কৰা হৈছে।

**তৃতীয় অধ্যায়ত**, অসমৰ গ্ৰন্থ প্ৰকাশন ব্যৱস্থাত ব্ৰিটিছ খ্ৰীষ্টান মিছনাৰী, আমেৰিকান বেপ্টিষ্ট মিছন, ব্ৰিটিছ প্ৰশাসনীয় বিষয়া আৰু অসমৰ স্থানীয় সাহিত্য সাধকসকলৰ সাহিত্যিক অৱদানসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। ব্ৰিটিছ খ্ৰীষ্টান মিছনাৰী উইলিয়াম কেৰীৰ পাছত আমেৰিকাৰ পৰা অহা নাথান ব্ৰাউন, মাইলছ ব্ৰনছনকে আদি কৰি আমেৰিকান বেপ্টিষ্ট মিছনৰ সদস্যসকলে অসমত থাকি অসমৰ গ্ৰন্থ প্ৰকাশন ব্যৱস্থাক কিদৰে এক নতুন গতি প্ৰদান কৰি কৰ্ম সম্পাদন কৰিছিল সেই বিষয়ে বিস্তৃত আলোচনা কৰা হৈছে। মিছনাৰীসকলে অসমত ছপাশাল স্থাপনকে আদি কৰি নানান প্ৰতিকূল পৰিস্থিতিৰ মাজতো প্ৰকাশন ব্যৱস্থাৰ উন্নয়নাৰ্থে কৰা কাম-কাজসমূহৰ বিষয়ে বিস্তৃত তথ্য উপস্থাপন কৰা হৈছে। মিছনে অসমত স্থাপন কৰা ছপাশালৰ পৰা প্ৰকাশ কৰা গ্ৰন্থসমূহৰ প্ৰতিবেদনমূলক তালিকা এই অধ্যায়টিত সন্নিৱিষ্ট কৰা হৈছে। উক্ত তালিকাৰ পৰা ঊনবিংশ শতিকাত মিছন প্ৰেছৰ কাম-কাজৰ খতিয়ান জানিব পৰা হৈছে। আমেৰিকান বেপ্টিষ্ট মিছনাৰীসকলে শদিয়াত প্ৰতিষ্ঠা কৰা অসমৰ প্ৰথম ছপাশাল, 'মিছন প্ৰেছ'ত ১৮৩৬ ৰ পৰা ১৮৩৮ খ্ৰীষ্টাব্দৰ ভিতৰত প্ৰকাশ কৰা গ্ৰন্থৰ অনুসন্ধান কৰি প্ৰাপ্ত তথ্যৰ ভিত্তিত তালিকা প্ৰস্তুত কৰি এই অধ্যায়ত সন্নিৱিষ্ট কৰা হৈছে। পৰৱৰ্তী পৰ্যায়ত জয়পুৰ আৰু শিৱসাগৰত স্থানান্তৰিত হৈ 'মিছন প্ৰেছ'ৰ যোগেদি প্ৰকাশ পোৱা গ্ৰন্থসমূহৰ নাম-তালিকাও এই অধ্যায়ত সন্নিৱিষ্ট কৰা হৈছে।

১৮৪৬ খ্ৰীঃৰ পৰা ১৮৮০ খ্ৰীঃলৈকে নাথান ব্ৰাউনসহ অন্যান্যসকলৰ সম্পাদনাত প্ৰকাশিত অসমৰ প্ৰথম সংবাদপত্ৰ-আলোচনী 'অৰুনোদই'ৰ বিষয়ে তথ্য সহকাৰে আলোচনা কৰা হৈছে। এই আলোচনীখনে অসমৰ ভাষা, সাহিত্য, শিক্ষা, সংস্কৃতি, বৌদ্ধিক চৰ্চা তথা অসমৰ জাতীয় জীৱনৰ বাবে আগবঢ়োৱা উল্লেখযোগ্য শিতান ভিত্তিক অৱদানসমূহৰ বিষয়েও প্ৰয়োজনীয় স্থানত আলোচনা কৰা হৈছে। অসমৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰস্তুত কৰা পাঠ্যপুথি প্ৰণয়নৰ বিভিন্ন স্তৰসমূহৰ বিৱৰণ উল্লেখ কৰা হৈছে। অৰুনোদই কাকতৰ সৈতে প্ৰথমৰে পৰা জড়িত অসমৰ নিধি লিবাই ফাৰ'ৱেলৰ উপৰি ২৯ জন আমেৰিকান বেপ্টিষ্ট মিছনৰ সদস্যই কৰা কাম-কাজৰ বৰ্ণনামূলক তথ্য সন্নিৱিষ্ট কৰা হৈছে।

১৮২৬ খ্ৰীষ্টাব্দৰ 'ইয়াণ্ডাবু সন্ধি'ৰ জৰিয়তে অসমৰ শাসনভাৰ হস্তগত কৰাৰ পিছত ব্ৰিটিছ

প্ৰশাসকসকলে অসমৰ গ্ৰন্থ প্ৰকাশনৰ ক্ষেত্ৰখনত কেনেদৰে অৰদান আগবঢ়ালে সেই বিষয়েও অনুসন্ধানমূলক বিৱৰণ, বিশ্লেষণাত্মক আৰু সমীক্ষাত্মক গৱেষণা পদ্ধতিৰে দাঙি ধৰা হৈছে। ব্ৰিটিছ প্ৰশাসকসকলে অসমৰ বিভিন্ন বিষয়ক বিষয়বস্তুক লৈ প্ৰণয়ন কৰা গ্ৰন্থসমূহৰ বিস্তৃত তথ্য আৰু গ্ৰন্থ প্ৰকাশনৰ ক্ষেত্ৰত আগবঢ়োৱা অৰদানৰ বিষয়ে এই অধ্যায়ত আলোচনা কৰা হৈছে। ৩০ জন ব্ৰিটিছ প্ৰশাসনীয় বিষয়াৰ উল্লেখযোগ্য গ্ৰন্থ প্ৰকাশনৰ তথ্য গাইগুটীয়া অৰদানৰ সমীক্ষা ভিত্তিত উল্লেখ কৰা হৈছে।

ঊনবিংশ শতিকাত অসমৰ স্থানীয় লেখকসকলৰ অৰদানৰ বিষয়েও এই অধ্যায়ত আলোচনা কৰা হৈছে। শতাব্দীটোত উল্লেখযোগ্য অৰদান আগবঢ়োৱা ২০ জন অসমীয়া লেখকৰ ভিতৰত ৫ গৰাকী মহিলা লেখক ক্ৰমে, তাৰিণী দেৱী, পদ্মাৱতী দেৱী ফুকননী, বিষ্ণুপ্ৰিয়া দেৱীৰ প্ৰকাশিত গ্ৰন্থসমূহৰ লগতে হিমলা বৰুৱানী আৰু স্বৰ্ণলতা দেৱীৰ সাহিত্য চৰ্চাৰ বিষয়েও আলোচনা কৰা হৈছে।

**চতুৰ্থ অধ্যায়ত**, ঊনবিংশ শতিকাত অসমৰ বিষয় সম্পৰ্কৰে প্ৰকাশিত গ্ৰন্থসমূহৰ নাম, বৰ্ষানুক্ৰমিক ভিত্তিত প্ৰস্তুত কৰা হৈছে। গ্ৰন্থসমূহৰ তথ্য উপস্থাপন কৰোঁতে গ্ৰন্থৰ নাম, লেখক, অনুবাদক বা প্ৰকাশকৰ নাম, প্ৰকাশৰ চন, মুদ্ৰক, পৃষ্ঠাসংখ্যা, গ্ৰন্থৰ বিক্ৰীমূল্য, মুদ্ৰিত সংখ্যা আদিৰ তথ্য যথাসম্ভৱ সংগ্ৰহ কৰাৰ চেষ্টা কৰা হৈছে। গ্ৰন্থসমূহৰ সংক্ষিপ্ত সংস্কৰণ, পৰিৱৰ্ধিত সংস্কৰণ বা একেখন গ্ৰন্থৰে খণ্ডিত সংস্কৰণ বা সংশোধিত সংস্কৰণৰ বিষয়েও যথাসম্ভৱ তথ্য সংগ্ৰহ কৰি সন্নিৱিষ্ট কৰা হৈছে। শতিকাটিত অসম তথা অসমৰ বাহিৰৰ প্ৰকাশকৰ দ্বাৰা অসমৰ বিভিন্ন বিষয়বস্তুক কেন্দ্ৰ কৰি ইংৰাজী, বাংলা আদি ভাষাত ৰচিত আৰু প্ৰকাশিত গ্ৰন্থ তথা অসমীয়া ভাষাত প্ৰকাশিত বিভিন্ন গ্ৰন্থৰ বিষয়ে বিশ্লেষণাত্মক দৃষ্টিভংগীৰে আৰু পদ্ধতিগতভাৱে তথ্য আগবঢ়োৱা হৈছে। এই অধ্যায়ত উল্লেখিত বিষয়বস্তুৰ বিষয়ে অনুসন্ধান কৰোঁতে ঊনবিংশ শতিকাত প্ৰকাশিত বহুসংখ্যক গ্ৰন্থ উপযুক্ত সংৰক্ষণৰ অভাৱত সন্ধানহীন হোৱা, সংগ্ৰহালয়ৰ সু-ব্যৱস্থা নথকাত দুষ্প্ৰাপ্য হৈ পৰা আদিৰ বাস্তৱ অভিজ্ঞতাৰ তথ্য যথাযোগ্য স্থানত প্ৰয়োজনবোধে উল্লেখ কৰা হৈছে।

ঊনবিংশ শতিকাৰ অসমত বিভিন্নজনৰ দ্বাৰা প্ৰণীত, মুদ্ৰিত আৰু প্ৰকাশিত অসমৰ আপুৰুগীয়া গ্ৰন্থ সম্পদৰ তথ্য যাতে প্ৰণালীবদ্ধ আৰু আসোঁৱাহমুক্ত হয় তাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখি কৰ্ম সম্পাদন কৰা হৈছে। দশক ভিত্তিত ভগাই লোৱা গ্ৰন্থসমূহৰ সংখ্যা দণ্ডচিত্ৰৰ সহায়ত উপস্থাপন কৰা হৈছে।

প্ৰত্যেকটো দশকৰ আৰম্ভণিত সংশ্লিষ্ট দশকটোত প্ৰকাশিত উল্লেখযোগ্য প্ৰকাশনসমূহৰ বিষয়ে প্ৰয়োজনীয় একোটাকৈ টোকা সংক্ষিপ্ত ৰূপত সন্নিৱিষ্ট কৰা হৈছে। শতিকাটিত প্ৰকাশ পোৱা গ্ৰন্থসমূহৰ

সামগ্রিক তালিকা প্ৰস্তুত কৰাৰ অন্তত সমগ্ৰ গ্ৰন্থৰ বিষয়ভিত্তিক স্থিতি পাৰিসাংখ্যিক নক্সাৰ যোগেদি 'ৰেখাচিত্ৰ' প্ৰস্তুত কৰি উপস্থাপন কৰা হৈছে।

**পঞ্চম অধ্যায়ত,** ঊনবিংশ শতিকাত অসমৰে সম্পৰ্ক জড়িত ভিন্ন বিষয়ত প্ৰকাশিত প্ৰায় সহস্ৰাধিক গ্ৰন্থৰ নাম বিষয়সূচী অনুযায়ী শ্ৰেণীভুক্ত কৰি সম্পাদিত ৰূপত উপস্থাপন কৰা হৈছে। উল্লিখিত তথ্যসূচীৰ জৰিয়তে অসমৰ গ্ৰন্থ প্ৰকাশন ব্যৱস্থাত বিভিন্ন ৰুচিৰ বিভিন্ন বিষয়যুক্ত গ্ৰন্থৰ মুদ্ৰণ আৰু প্ৰকাশ কেনেদৰে গতিশীল হৈছিল তাৰ সামগ্ৰিক ছবি এখনো দিবলৈ চেষ্টা কৰা হৈছে। আমেৰিকান বেপ্টিষ্ট মিছনৰ দ্বাৰা অসমত স্কুল স্থাপনাৰ্থে আগবঢ়োৱা অৱদান, অসমৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে প্ৰস্তুত কৰা পাঠ্যপুথি প্ৰণয়ন, 'অৰুনোদই' আলোচনীকে আদি কৰি অসমীয়া ভাষা-সাহিত্যৰ বিকাশত আগবঢ়োৱা অন্যান্য অৱদানৰ তথ্য সবিস্তাৰে সন্নিৱিষ্ট কৰাৰ প্ৰয়াস কৰা হৈছে। এই ক্ষেত্ৰত অসমত ব্ৰিটিছৰ দ্বাৰা আৰোপিত বাংলা ভাষাৰ ঠাইত অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠাৰ হকে আগবঢ়োৱা ব্যক্তিসকলৰ অৱদানৰ কথাও প্ৰয়োজনীয় স্থানত আলোচনা কৰা হৈছে।

শতাব্দীজোৰা প্ৰকাশনসমূহৰ উল্লিখিত গ্ৰন্থসমূহক বিষয়ভিত্তিত ২৬ টা শিতানত ভাগ কৰি সন্নিৱিষ্ট কৰা হৈছে। অৱশ্যে, গ্ৰন্থসমূহক যথাযথ বিষয়ৰ লগত সংগতি ৰাখি বিষয়ভুক্ত কৰাৰ ক্ষেত্ৰত অধিক অধ্যয়নৰ প্ৰয়োজন অনুভৱ কৰা হৈছে। অতি কষ্টকৰ আৰু শ্ৰমসাধ্য অনুসন্ধানৰ পিছতহে ভালেসংখ্যক দুষ্প্ৰাপ্য গ্ৰন্থৰ সন্ধান পোৱাটো উল্লেখযোগ্য। গ্ৰন্থ প্ৰকাশনৰ ক্ষেত্ৰত ঊনবিংশ শতিকাতেই অসমীয়া ভাষাৰ বাবে অতিশয় গুৰুত্বপূৰ্ণ গ্ৰন্থ 'হেমকোষ' (অভিধান) প্ৰণয়ন হৈ প্ৰকাশিত হৈছে। শিতানটিত মাইলছ ব্ৰনছনৰ 'অসমিয়া-ইংৰাজি অভিধান (অসমীয়া-ইংৰাজী অভিধান), আনন্দৰাম বৰুৱাৰ 'ইংৰাজী-সংস্কৃত অভিধান'সহ শতিকাটিত প্ৰকাশ পোৱা অভিধানসমূহৰ বিষয়ে তথ্য সন্নিৱিষ্ট কৰাৰ লগতে অপ্ৰকাশিত অভিধানৰ বিষয়েও আলোচনা কৰা হৈছে।

**ষষ্ঠ অধ্যায়ত,** ঊনবিংশ শতিকাত অসমৰ গ্ৰন্থ প্ৰকাশনৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত কেইটিমান আনুষঙ্গিক বিষয় উপস্থাপন কৰা হৈছে। উদাহৰণ স্বৰূপে, অসমীয়া ভাষাৰ গ্ৰন্থ মুদ্ৰণৰ ক্ষেত্ৰত ঊনবিংশ শতিকাত অসমত প্ৰতিষ্ঠা লভা ছপাশালসমূহৰ অৱদান সম্পৰ্কে আলোচনা কৰা হৈছে। অসমীয়া ভাষাত গ্ৰন্থ মুদ্ৰণৰ ক্ষেত্ৰত কলিকতাত প্ৰতিষ্ঠিত ছপাশালৰ অৱদান সম্পৰ্কেও সংক্ষিপ্ত ৰূপত উল্লেখ কৰা হৈছে। অসমীয়া ভাষাৰ গ্ৰন্থাদি প্ৰণয়ন আৰু প্ৰকাশনৰ ক্ষেত্ৰত আগভাগ লোৱা ৰাজহুৱা সংস্থাসমূহৰ ভূমিকাৰ বিষয়ে প্ৰয়োজনীয় তথ্যভিত্তিক বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। আমেৰিকান খ্ৰীষ্টান মিছনাৰীসকলৰ দ্বাৰা সাঁচিপতীয়া পুথিৰ সংগ্ৰহ, পুথিভঁৰাল প্ৰতিষ্ঠাৰ প্ৰয়াস,

অসমত বিদ্যালয় প্ৰতিষ্ঠাৰ অগ্ৰগতি, ছাত্ৰ-ছাত্ৰীৰ বাবে পাঠ্যপুথি প্ৰণয়নৰ উদ্যোগ আদিৰ বিষয়সমূহ আলোচনা কৰা হৈছে।

ঊনবিংশ শতিকাত অসমৰ গ্ৰন্থসমূহত 'শক' বা 'শকাব্দ'ৰ উল্লেখৰ লগতে 'খ্ৰীষ্টাব্দ'ৰ গণনা পদ্ধতিৰ আৰম্ভণি, ইংৰাজী ভাষাত ব্যৱহৃত 'ৰোমান হৰফ' আৰু 'ৰোমান সাংকেতিক চিহ্ন' আদিৰ প্ৰচলন, অসমত টকা-পইচাৰ হিচাপৰ ক্ষেত্ৰত পূৰ্বে প্ৰচলিত পাতি পইচা, পাই, সিকি আদি মুদ্ৰা গণনাৰ সাংকেতিক চিহ্ন, পাশ্চাত্যৰ গণনা পদ্ধতি অনুসৰি নয়া-পইচা, অনা, টকা আদিৰ হিচাপ ব্যৱস্থাৰ প্ৰৱৰ্তন আদিৰ বিষয়েও অধ্যায়টিত সংক্ষিপ্তভাৱে আলোচনা আগবঢ়োৱা হৈছে। উল্লিখিত শতিকাত অসম বিষয়ক প্ৰবন্ধাদি প্ৰকাশ কৰা বঙ্গৰ কাকত-আলোচনী, অসমৰ পৰা প্ৰকাশ পোৱা কাকত-আলোচনী আদিত গ্ৰন্থ সম্পৰ্কে প্ৰকাশিত তথ্য, খ্ৰীষ্টান মিছনাৰীবৃন্দই অসমত ছপা কৰা গ্ৰন্থ, আলোচনীসমূহৰ মুদ্ৰণ তথ্য, গ্ৰন্থ সংৰক্ষণ ব্যৱস্থা, ঊনবিংশ শতিকাত প্ৰকাশিত গ্ৰন্থত তদানীন্তন কালত ব্যৱহৃত অসমীয়া শব্দৰ লিখিত ৰূপ আৰু ইংৰাজী ভাষাত লিখা অসম বিষয়ক কিছু শব্দৰ লিখিত ৰূপৰ চানেকি সন্নিৱিষ্ট কৰা হৈছে। অসমত ইংৰাজী, বাংলা আৰু হিন্দী ভাষা শিক্ষণ আৰু প্ৰচলনৰ ক্ষেত্ৰত লোৱা পদক্ষেপসমূহৰ সংক্ষিপ্ত তথ্যও এই অধ্যায়ত আলোচনা কৰা হৈছে।

### ৭.০২ গৱেষণাৰ অন্তত আমাৰ বক্তব্য

উল্লিখিত অধ্যায়সমূহৰ পৰ্যালোচনা আৰু আমাৰ গৱেষণা কাৰ্যৰ অন্তত দেখা গ'ল যে,- ঊনবিংশ শতিকাৰ ১৮০১ খ্ৰীঃৰ পৰা ১৯০০ খ্ৰীঃলৈকে বিস্তৃত শতাব্দীটিত অসমৰ লগত সম্পৰ্ক থকা গ্ৰন্থসমূহৰ বিষয়ে সেই সময়ত অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ হৈ ৰমাকান্ত বৰকাকতি আৰু কনকলাল বৰুৱাই শতিকাটিত উপলব্ধ হোৱা অসমৰ গ্ৰন্থসমূহৰ বিষয়ে জৰীপ চলাই ১৮৯৫ খ্ৰীঃত *'অসমীয়া পুথিৰ তালিকা'* নামৰ সংকলনটিত প্ৰকাশিত গ্ৰন্থ আৰু অপ্ৰকাশিত অৱস্থাত থকা পাণ্ডুলিপি মিলি মুঠ ৭০৫ খন পুথিৰ সন্ধান দিছে।[১] তালিকাখনৰ আৰম্ভণিত লিখা মতে,- সংকলনটিত উল্লিখিত প্ৰৱিষ্টি সমূহৰ '*' চিহ্ন দিয়া গ্ৰন্থসমূহ ছপা আখৰত প্ৰকাশিত গ্ৰন্থ। সেই হিচাপত সেই তালিকাত সৰ্বমুঠ ২০১ খন মুদ্ৰিত ৰূপত প্ৰকাশ পোৱা গ্ৰন্থৰ নাম সন্নিৱিষ্ট হৈছে। বাকী ৫০৪ খন পুথি অপ্ৰকাশিত পাণ্ডুলিপি ৰূপত থকাৰ কথা সূচাইছে।

আনহাতে, ঊনবিংশ শতিকাত প্ৰকাশিত গ্ৰন্থৰ পৰিসংখ্যা লিপিবদ্ধ কৰা এডৱাৰ্ড গেইটে ১৮৯৭

[১] 'অসমীয়া পুথিৰ তালিকা' শীৰ্ষক গ্ৰন্থত ৭/৮ শ মান গ্ৰন্থৰ নাম অন্তৰ্ভুক্ত হৈছে বুলি 'জোনাকী' আলোচনীৰ ষষ্ঠ বছৰ তৃতীয় সংখ্যাৰ 'পুথিৰ গুণাগুণ বিচাৰ' শিতানত সংকলনটিৰ সম্পাদকদ্বয়ৰ দ্বাৰা প্ৰকাশ পাইছে। কিন্তু বাস্তৱিক ক্ষেত্ৰত উক্ত তালিকাত ৭০৫ খন গ্ৰন্থৰ নাম উপলব্ধ হৈছে।

খ্ৰীষ্টাব্দত সংকলন কৰি প্ৰকাশ কৰা *'Report on the Progress of Historical Research in Assam'* শীৰ্ষক গ্ৰন্থত সৰ্বমুঠ ৩২১ খন পুথিৰ নাম দিছে।[২] তাৰে ১৫১ খন মুদ্ৰিত ৰূপত প্ৰকাশ পোৱা গ্ৰন্থ। বাকীখিনিৰ ভিতৰত ১৩৯ খন বিদ্যায়তনিক পত্ৰিকা (Journal) আৰু ৩১ খন হস্তলিখিত পাণ্ডুলিপি অৱস্থাত পোৱা সংৰক্ষিত পুথিৰ নাম। উল্লিখিত দুয়োখন গ্ৰন্থই গৱেষণাধৰ্মী নহয়। উল্লিখিত তথ্যসমূহৰ যোগেদি সংশ্লিষ্ট গ্ৰন্থ দুখনত মুঠ ৩৫২ খন প্ৰকাশিত গ্ৰন্থৰ নাম উল্লেখিত হৈছে। কিন্তু আমাৰ এই অনুসন্ধানত দেখা গ'ল ঊনবিংশ শতিকাত প্ৰকাশিত গ্ৰন্থৰ সংখ্যা ৭৮২।[৩] উল্লিখিত সংখ্যাৰ উপৰি প্ৰকাশনৰ সময় উল্লেখ নথকা ২৫৯ খন পুস্তিকা সদৃশ গ্ৰন্থৰ সন্ধান পোৱা গৈছে। এই গ্ৰন্থসমূহৰ বেছিভাগেই খ্ৰীষ্টধৰ্মীয় পুস্তিকা। উক্ত তথ্য অনুসাৰে ঊনবিংশ শতিকাত প্ৰকাশিত মুঠ গ্ৰন্থৰ সংখ্যা ১০৪১।[৪]

গৱেষণা কালত ঊনবিংশ শতিকাত অসম বিষয়ক বা অসমৰ বিষয় সংযোজিত হৈ থকা ভালেকেইখন বিদেশী ভাষাত ৰচিত আৰু বিদেশী ৰাষ্ট্ৰৰ প্ৰকাশকৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থৰ সন্ধান লাভ কৰা হৈছে। সেই গ্ৰন্থসমূহৰ বিষয়ে এই গৱেষণা গ্ৰন্থৰ চতুৰ্থ আৰু পঞ্চম অধ্যায়ত উল্লেখ কৰা হৈছে।

সামগ্ৰিকভাৱে এই বিষয়সমূহকে অধ্যয়নভিত্তিক আলোচনা, পৰ্যালোচনা কৰি গৱেষণাৰ ৰীতি অনুসৰি প্ৰয়োজনীয় ক্ষেত্ৰত বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতি অৱলম্বন কৰি শেষত সমীক্ষাত্মক পদ্ধতিৰে মোখনি মৰা হৈছে। গৱেষণা কাৰ্যৰ বাবে লক্ষ্য স্থিৰ কৰা উদ্দেশ্যসমূহৰ সফলতা অৰ্জন কৰিব পৰা হৈছে। গৱেষণা গ্ৰন্থখনৰ এই উপসংহাৰ অধ্যায়ত পূৰ্বৰ ৬ (ছয়) টি অধ্যায়ৰ সাৰাংশ দিয়াৰ লগতে গৱেষণাৰ সিদ্ধান্ত আৰু এনে বিষয়ত অধিক গৱেষণাৰ থল সম্পৰ্কে বিষয় সন্নিৱিষ্ট কৰা হৈছে।

ঊনবিংশ শতিকাৰ অসমত গ্ৰন্থ প্ৰকাশন সম্পৰ্কত গৱেষণা কাৰ্য নিখুঁতভাৱে কৰি সম্ভৱপৰ সকলো তথ্যৰে এই গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰাৰ চেষ্টা কৰা হৈছে। এই বিষয়টোক লৈ সাম্প্ৰতিক সময়লৈকে কোনো গৱেষকে পূৰ্ণাঙ্গ পৰ্যায়ত গৱেষণা কৰাৰ তথ্য পোৱা নাই। এটা ভাষাৰ, এটা জাতিৰ শতিকাযোৰা এক বিশাল কৰ্ম বিস্তৃতিৰে সমৃদ্ধ বিষয় এটিক প্ৰয়োজনীয় প্ৰামাণিক তথ্যৰে সমাধান উলিওৱা কাৰ্য বৰ সহজসাধ্য নহয়। প্ৰয়োজনীয় সমলৰ দুষ্প্ৰাপ্যতা, প্ৰাথমিক উৎসৰ ক্ষেত্ৰত সময়ৰ ব্যৱধানৰ বাবে,

---

[২] Edward Gait, *Report on the Progress of Historical Research in Assam.*

[৩] উল্লিখিত গ্ৰন্থসম্ভাৰৰ বিষয়ে এই গ্ৰন্থৰ চতুৰ্থ অধ্যায়ত সন্নিৱিষ্ট কৰা হৈছে।

[৪] এই তথ্যত অসমৰ আৰু অসমৰ বাহিৰৰ প্ৰকাশকৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থৰ হিচাপসহ পুনৰমুদ্ৰিত সংস্কৰণ তথা প্ৰকাশৰ চন-তাৰিখ আদিৰ তথ্য নথকা গ্ৰন্থৰ সংখ্যাও অন্তৰ্ভুক্ত হৈ আছে।

উপযুক্ত সাক্ষ্য দিব পৰা লোকৰ স্থিতিশূন্যতা আৰু অসমৰ সামাজিক ব্যৱস্থাত বিজ্ঞানসন্মতভাৱে প্রয়োজনীয় গ্রন্থ সংৰক্ষণ ব্যৱস্থাৰ অভাৱ আদিৰ বাবে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হ'ল। তৎসত্ত্বেও বিষয়টোৰ গুৰুত্ব আৰু প্রয়োজনীয়তা উপলব্ধি কৰি কামত অগ্রসৰ হৈ এটা পর্যায়লৈকে আগবাঢ়িব পৰা হ'ল। এনে বিষয়ৰ গৱেষণা যিহেতু আগতে হোৱাৰ তথ্য নাই, সেয়ে, এই গৱেষণা কার্যই এই ক্ষেত্রত প্রথম পদক্ষেপ বুলি ক'ব পাৰি। অৱশ্যে আমাৰ দ্বাৰা সংগৃহীত তথ্যখিনিয়েই শেষ বা চূড়ান্ত নহয়। এই বিষয়ে অধিক অধ্যয়ন আৰু অনুসন্ধানৰ প্রয়োজন আছে। এই কাম ভৱিষ্যতৰ গৱেষকসকলে অধিক বিজ্ঞানসন্মত অধ্যয়নৰে আগবঢ়াই নিব বুলি আশা কৰিব পাৰি।

### ৭.০৩ গৱেষণাৰ সিদ্ধান্ত

ঊনবিংশ শতিকাত মুদ্রিত অসমীয়া ভাষাৰ গ্রন্থ আৰু অসম সম্পর্কত অন্যান্য ভাষাত প্রকাশিত গ্রন্থসমূহৰ প্রায় সিংহভাগেই বর্তমান দুষ্প্রাপ্য। আমেৰিকান বেপ্টিষ্ট মিছনাৰীসকলে প্রকাশ কৰা বা ব্রিটিছ প্রশাসনীয় বিষয়াসকলে শতিকাটোৰ বিভিন্ন সময়ত প্রকাশ কৰা গ্রন্থসমূহৰ মূল মুদ্রিত কপি বিশ্বৰ কোনো কোনো গ্রন্থাগাৰত সংৰক্ষণ কৰি ৰখাৰ সম্ভেদ পোৱা গৈছে। বিশেষকৈ ব্রিটেইনৰ ব্রিটিছ লাইব্রেৰী, ইণ্ডিয়া অফিচ লাইব্রেৰী, লণ্ডন বডেলিয়ান লাইব্রেৰী, অক্সফ'ৰ্ড বিশ্ববিদ্যালয়, কেমব্রিজ বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগৰ গ্রন্থাগাৰ, আমেৰিকাৰ ৱাশ্বিংটন ডি.চি.স্থিত লাইব্রেৰী অব্ কংগ্রেছ, নিউইয়ৰ্ক পাব্লিক লাইব্রেৰী, বষ্টন পাব্লিক লাইব্রেৰী, মিচিগান বিশ্ববিদ্যালয়, য়েল বিশ্ববিদ্যালয়ৰ গ্রন্থগাৰসহ বিশ্বৰ অগ্রণী কিছু গ্রন্থাগাৰত অসমৰ বিষয় সম্পর্কৰে প্রকাশ পোৱা বহুসংখ্যক গ্রন্থ সংৰক্ষণ কৰি ৰখাৰ তথ্য পোৱা হৈছে। ঊনবিংশ শতিকাত মুদ্রিত আৰু অসমৰ বিষয় সম্পর্কৰে প্রকাশিত বহু সংখ্যক দুষ্প্রাপ্য গ্রন্থ কলিকতাস্থিত এচিয়াটিক ছ'চাইটিৰ গ্রন্থাগাৰ, তথা ইম্পেৰিয়েল লাইব্রেৰী (নেচনেল লাইব্রেৰী)ত সংৰক্ষিত হৈ আছে। এই গ্রন্থাগাৰসমূহৰ উপৰি সাম্প্রতিক কালত বৈদ্যুতিন বিভাগত উপলব্ধ বিদ্যায়তনিক সংস্থাকে ধৰি 'অনলাইন' সেৱা সমূহতো 'ডিজিটেল' পদ্ধতিৰে বহু সংখ্যক গ্রন্থ আৰু গ্রন্থৰ তথ্য বিভিন্ন সংস্থাৰ গ্রন্থসেৱাত সংৰক্ষিত হৈ আছে। ঊনবিংশ শতিকাত অসমৰ স্থানীয় লেখকসকলৰ দ্বাৰা প্রণয়ন কৰা গ্রন্থসমূহ সম্প্রতি দুষ্প্রাপ্য হৈ পৰিছে। এই ক্ষেত্রত সেইসমূহ গ্রন্থৰ বাবে সংশ্লিষ্ট লেখকসকলৰ বংশধৰসকলৰ সৈতে যোগাযোগ কৰাটো সমীচীন হ'ব। আনহাতে লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা সংগৃহীত গ্রন্থাগাৰত যথেষ্ট সংখ্যক গ্রন্থ উপলব্ধ হৈ আছিল। সেই গ্রন্থাগাৰ সম্প্রতি শিৱসাগৰৰ প্রফুল্ল বেজবৰুৱাৰ বাসগৃহত সংৰক্ষিত হৈ আছে। কিন্তু প্রাতিষ্ঠানিক ৰূপত আৰু ৰাজহুৱাভাৱে

ঊনবিংশ শতিকাত মুদ্রিত আৰু প্ৰকাশিত সংশ্লিষ্ট গ্ৰন্থসমূহৰ তেনে কোনো প্ৰতিলিপি সংৰক্ষণ কৰি ৰখা গ্ৰন্থাগাৰ অসমত স্থাপন হোৱা নাই। ঊনবিংশ শতিকাত অসম আৰু অসমৰ বাহিৰত প্ৰকাশিত গ্ৰন্থসমূহ অসমত একে স্থানত সহজে বাস্তৱিক ৰূপত পোৱাকৈ সংগ্ৰহ আৰু সংৰক্ষিত হৈ নথকাৰ বাবে আগ্ৰহী পঢুৱৈসমাজ, বিশেষকৈ গৱেষকসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। সেয়ে, অসম তথা বিশ্বৰ যিকোনো ঠাইৰ পৰা অসমৰে সম্পৰ্ক জড়িত বিষয়ৰ প্ৰকাশিত গ্ৰন্থ সম্ভাৰক লৈ 'ঊনবিংশ শতিকাৰ অসমৰ গ্ৰন্থ' শীৰ্ষক বা তেনে অৰ্থপূৰ্ণ নামকৰণৰে এটি পূৰ্ণাঙ্গ পুথিভঁৰাল স্থাপন কৰাৰ ব্যৱস্থা হোৱাটো কামনা কৰো। এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে, আমি নিম্নোক্ত ধৰণে পৰামৰ্শ আগবঢ়াব বিচাৰো।

- গ্ৰন্থাগাৰটিত দুষ্প্ৰাপ্য গ্ৰন্থ, আলোচনী, প্ৰতিবেদনমূলক বিৱৰণ, নথিপত্ৰ আদি সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰি সেইসমূহ ডিজিটেল পদ্ধতিৰে মুদ্ৰিত কৰি আৰু ডিজিটেল কপি, মাইক্ৰ'ফিল্ম আদি প্ৰতিলিপিকৰণৰে অসমত এটি 'গ্ৰন্থ সংগ্ৰহালয়' স্থাপন কৰাটো অতি গুৰুত্বপূৰ্ণ বিষয় বুলি বিবেচনা কৰিব লাগে।
- এই ক্ষেত্ৰত প্ৰয়োজন সাপেক্ষে বিশ্বৰ বিভিন্ন প্ৰান্তত থকা সংশ্লিষ্ট গ্ৰন্থাগাৰসমূহৰ সৈতে যোগাযোগ কৰি তেনে দুষ্প্ৰাপ্য গ্ৰন্থ, আলোচনী আৰু নথিপত্ৰসমূহ বৈদ্যুতিন (ডিজিটেল) পদ্ধতিৰ সুবিধাৰে সংগ্ৰহ কৰি এটি নিৰ্দিষ্ট গ্ৰন্থাগাৰত একেটা স্থানতে অধ্যয়ন কৰাৰ সুবিধা থকাকৈ সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰাটো বাঞ্ছনীয়।
- এনে পদ্ধতিৰে নিয়াৰিকৈ সংগ্ৰহৰ কামখিনি কৰিব পাৰিলে অসমত এটি দুষ্প্ৰাপ্য গ্ৰন্থৰ ভঁৰাল গঢ় লৈও উঠিব আৰু অসম তথা বিশ্বৰ পঢুৱৈ সমাজো উপকৃত হ'ব। ভৱিষ্যৎ গৱেষকসকলৰ বাবেও উক্ত গ্ৰন্থাগাৰ এক আপুৰুগীয়া জ্ঞানৰ ভাণ্ডাৰ ৰূপে পৰিগণিত হ'ব। সেই গ্ৰন্থাগাৰ বা গ্ৰন্থ সংগ্ৰহালয়টি অসমৰ বাবে এটি জাতীয় সম্পদ ৰূপেও চিহ্নিত হৈ উঠিব।
- প্ৰস্তাৱিত 'ডিজিটেল' গ্ৰন্থসমূহ দুটা পদ্ধতিত সংৰক্ষিত কৰি ৰখাটো বাঞ্ছনীয়। এটা পদ্ধতিৰ জৰিয়তে মূল গ্ৰন্থৰ একাধিক মুদ্ৰিত প্ৰতিলিপি উলিয়াই লাইব্ৰেৰীত বিষয়ভিত্তিত শৃংখলাবদ্ধভাৱে ৰাখিব লাগিব।
- আনটোত ঊনবিংশ শতিকাত প্ৰকাশিত অসমৰ সমূহ গ্ৰন্থ এক স্থানতে সহজে পোৱাকৈ 'ডিজিটেল' পদ্ধতিৰে প্ৰতিলিপি সন্নিৱিষ্ট কৰি ৰখাৰ ব্যৱস্থা কৰিব লাগিব, যাতে এনে ব্যৱস্থাৰ

দ্বাৰা 'Online Service'ৰ যোগেদি বিশ্বৰ আগ্ৰহী পঢ়ুৱৈ সমাজে যিকোনো ঠাইৰ পৰা পঢ়াৰ সুবিধা লাভ কৰিব পাৰে।

- আমি ভাবো এনে ব্যৱস্থাৰ দ্বাৰা,- বৰ্তমানৰ প্ৰজন্ম তথা আহিবলগীয়া নৱ-প্ৰজন্মৰ ন ন পঢ়ুৱৈ, গৱেষকসকলে এই সুবিধাৰ যোগেদি ন ন সৃষ্টি কৰাৰ ক্ষেত্ৰত প্ৰভূত পৰিমাণে সকাহ পাব। সেয়ে, এই ক্ষেত্ৰত এক ইতিবাচক ব্যৱস্থা হৈ উঠাটো একান্তভাৱে কাম্য।

**৭.০৪ অধিক গৱেষণাৰ থল**

১) ঊনবিংশ শতিকাত প্ৰকাশিত উল্লেখযোগ্য অসমীয়া গ্ৰন্থৰ সামাজিক অৱদান।

২) ঊনবিংশ শতিকাৰ গ্ৰন্থ প্ৰকাশন আৰু বিংশ শতিকাৰ গ্ৰন্থ প্ৰকাশন ঃ এক সমীক্ষাত্মক অধ্যয়ন।

৩) ঊনবিংশ শতিকাত অসমলৈ অহা আমেৰিকান আৰু ইংৰাজ ব্যক্তিবৃন্দৰ গ্ৰন্থ প্ৰণয়ন আৰু গ্ৰন্থ প্ৰকাশন কাৰ্যত ব্যক্তিগত অৱদানৰ বিষয়ে বিশ্লেষণাত্মক অধ্যয়ন।

৪) ঊনবিংশ শতিকাত প্ৰকাশিত দুষ্প্ৰাপ্য গ্ৰন্থসমূহৰ পুনৰ মুদ্ৰণৰ প্ৰয়োজনীয়তা সন্দৰ্ভত অধ্যয়ন।

৫) অসমত হোৱা নৱ জাগৰণৰ ক্ষেত্ৰত ঊনবিংশ শতিকাত প্ৰকাশিত গ্ৰন্থ-আলোচনীসমূহৰ ভূমিকা।

৬) ঊনবিংশ শতিকাত অসমৰ গ্ৰন্থ প্ৰণয়ন/প্ৰকাশনৰ ক্ষেত্ৰত ইংলেণ্ড প্ৰৱাসী আৰু আমেৰিকান প্ৰৱাসীবৃন্দৰ অৱদান ঃ এক সমীক্ষাত্মক/বা তুলনামূলক অধ্যয়ন।

৭) ঊনবিংশ শতিকাত আমেৰিকান বেপ্টিষ্ট মিছন প্ৰেছে অসমত গ্ৰন্থ মুদ্ৰণত লোৱা ভূমিকা ঃ এক বিশ্লেষণাত্মক অধ্যয়ন।